2026

Anandaram Dhekial Phookan College Library
Acc. No.
Date
Nagaon : Assam

ASSAMESE

(Major)

Paper : ASS4400404MJ

(অসমীয়া লিপিৰ পৰিচয়)

Full Marks : 60

Time : 2½ hours

The figures in the margin indicate full marks for the questions.

১। অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) লিপিৰ পূৰ্ণ বিকশিত ৰূপটোক কি লিপি বুলি জনা যায় ?

(খ) কোন ৰাজবংশৰ সময়ত ব্ৰাহ্মী লিপিত পোনপ্ৰথম ক্ষুদ্ৰ শিৰোৰেখাই ভূমুকি মাৰে ?

(গ) কোনগৰাকী পণ্ডিতে ১৯৫৫ চনতে সিন্ধু লিপিৰ দহোটা চিহ্নৰে সৈতে ব্ৰাহ্মী লিপিৰ দহোটা আখৰৰ হুবহু মিল দেখুৱাইছিল ?

(ঘ) 'অসমীয়া প্ৰাচীন লিপি' নামৰ গ্ৰন্থখনৰ লেখক কোন ?

(ঙ) বৰ্তমান লৈকে উদ্ধাৰ হোৱা প্ৰাচীনতম অসমীয়া শিলালিপিখনৰ নামটো লিখা।

(চ) সুবেন্দ্র বর্মাৰ উমাচল শৈললিপিত সর্বমুঠ কিমানটা অক্ষৰ পোৱা যায় ?

(ছ) হর্জৰ বর্মাৰ হায়ুংথল তাম্রশাসনখনি কিমান শতাব্দীত লিখা হৈছিল ?

(জ) আহোম ৰজাসকলে পুথি লিখিবলৈ দায়িত্ব অর্পণ কৰা লোকসকলক কি নামেৰে জনা যায় ?

২। যি কোনো ছয়টা প্রশ্নৰ উত্তৰ লিখা : ২×৬=১২

(ক) পৃথিৱীৰ লিপিবোৰক প্রধানত কি দুটি ভাগত ভাগ কৰিব পাৰি ?

(খ) সিন্ধু লিপিৰ পৰৱর্তী ভাৰতৰ দুবিধ প্রাচীন লিপিৰ নাম লিখা।

(গ) ব্রাহ্মী লিপিৰ দক্ষিণী শৈলীৰ পৰা বিকশিত যি কোনো দুবিধ লিপিৰ নাম লিখা।

(ঘ) 'ৰবগংগা শিলালিপি' কোনজনা নৃপতিয়ে, কিমান শতাব্দীত খোদিত কৰাইছিল ?

(ঙ) 'গছতল স্তম্ভলিপি' কোনে, ক'ৰ পৰা উদ্ধাৰ কৰি অসম ৰাজ্যিক সংগ্রহালয়ত জমা দিছিল ?

(চ) ভাস্কৰ বর্মাৰ 'ডুবি তাম্রশাসন'ত মুঠ কিমানটা শাৰী আৰু শ্লোক আছে ?

(ছ) বলবর্মাৰ হাওৰঘাট শাসনৰ অন্য এটা নাম কি ? শাসনখনিৰ পাঠ জয়জয়তে কোনে উদ্ধাৰ কৰে ?

(জ) সম্পূর্ণ অসমীয়া আখৰত লিখা বর্তমানলৈ আৱিষ্কৃত শিলালিপিখনৰ নামটো লিখা। লিপিখন ইংৰাজী কিমান চনত উদ্ধাৰ হয় ?

(ঝ) কাইথেলী লিপিত লিখা দুখন পুৰণি অসমীয়া পুথিৰ নাম লিখা।

(ঞ) 'জাও বা ঝাউ দিয়া' বুলিলে কি বুজা ?

৩। চমুকৈ আলোচনা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অশোককালীন ব্রাহ্মী লিপিৰ স্বৰূপ

(খ) নগাজৰী-খনিকৰ গাঁও প্রস্তৰখণ্ড লিপি

(গ) হর্জৰ বর্মাৰ তেজপুৰ লিপি

(ঘ) ভাস্কৰ বর্মাৰ নিধনপুৰ তাম্রশাসন

(ঙ) বনমাল বর্মাৰ পর্বতীয়া তাম্রশাসন

(চ) অসমীয়া লিপিৰ উৎপত্তি সন্দর্ভত থকা ভিন্ন মতামত

(ছ) অসমীয়া লিপি চর্চাৰ আহিলা হিচাপে সাঁচিপাত আৰু তুলাপাতৰ গুৰুত্ব

(জ) মহী বা চিয়াঁহী প্রস্তুতকৰণ প্রণালী

৪। বহলাই আলোচনা কৰা (যি কোনো দুটা) : ১০×২=২০

(ক) লিপিৰ বিকাশক প্রধানকৈ কেইটা ভাগত ভাগ কৰিব পাৰি ? প্রতিটো ভাগৰ বিষয়ে চমুকৈ আলোচনা কৰা।

Hanuram Dhaniai Phookan College Library
Acc. No.
Date
Nagaon : Assam

(খ) ব্রাহ্মী লিপি আৰু খৰোষ্ঠীলিপিৰ বিষয়ে একোটিকৈ আলোচনা আগবঢ়োৱা।

(গ) অসমীয়া লিপিৰ যুগ-বিভাজন দেখুৱাই এটি আলোচনা যুগুত কৰা।

(ঘ) মধ্যযুগীয় অসমীয়া লিপিৰীতি তিনিটাৰ বিষয়ে একোটিকৈ আলোচনা আগবঢ়োৱা।

(ঙ) অসমীয়া লিপিৰ বিকাশত শৈললিপিসমূহৰ গুৰুত্ব বিচাৰ কৰি এটি আলোচনা যুগুত কৰা।

★★★

Anandaram Dhekial Phookan College Library
Acc. No.
Date
Nagaon : Assam